## ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়ক প্ৰত্যাহ্বান

# মাতৃভাষা বিদ্যালয়ত নামভৰ্তিৰ বাবে হাওৰাঘাটত ঘৰে ঘৰে শিক্ষকৰ অভিযান

'আমাৰ অসম'ৰ হাওৰাঘাটৰ প্ৰতিবেদক, ২৭ মাৰ্চ ঃ কাঠফুলাৰ দৰে গঢ়ি উঠা একাংশ ব্যক্তিগত খণ্ডৰ বিদ্যালয় তথা ইংৰাজ মাধ্যমৰ বিদ্যালয়ৰ দ্ৰুত আগ্ৰাসনৰ কেঁকোৰা চেপাত সম্প্ৰতি অস্তিত্বৰ সংকটত ৰাজ্যৰ বহু চৰকাৰী খণ্ডৰ মাতৃভাষা মাধ্যমৰ বিদ্যালয়। বিনামূলীয়া পাঠদান, বিনামূলীয়া পাঠ্যপুথি যোগান, বিনামূলীয়া মধ্যাহ্ন ভোজন, বিনামূলীয়া সমসাজৰ সুবিধা সত্ত্বেও চৰকাৰী বিদ্যালয়সমূহত নিতৌ উদ্বেগজনকভাৱে হ্ৰাস পাইছে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা। তথাকথিত ইংৰাজী মাধ্যমৰ দোহাই দি বহু অভিভাৱকে প্ৰতিনিয়ত এৰাই চলিছে চৰকাৰী খণ্ডৰ মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহক। যাৰ পৰিণতিত শেহতীয়াকৈ কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে হাওৰাঘাটৰ শতবৰ্ষ গৰকা ঐতিহ্যমণ্ডিত বৰবিল গাঁৱৰ দুখনকৈ শিক্ষানুষ্ঠান বৰবিল গাঁও প্ৰাথমিক বিদ্যালয় আৰু হাওৰাঘাট-বৰবিল হাইস্কুল। দুয়োখন বিদ্যালয়তে দিনক দিনে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা উদ্বেগজনকভাৱে কমি যোৱাত শেহতীয়াকৈ হাওৰাঘাট-বৰবিল হাইস্কুলৰ প্ৰধান শিক্ষক অজিত বসুমতাৰীৰ নেতৃত্বত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে বিগত এসপ্তাহ ধৰি আৰম্ভ কৰিছে মাতৃভাষা মাধ্যমৰ বিদ্যালয় জীয়াই ৰখাৰ এক স্বতঃস্ফূৰ্ত আন্দোলন। সমাজৰ অতন্দ্ৰ প্ৰহৰী হিচাপে হেলাৰঙে এই কঠোৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে উৎসৱ বিদ্যাৰম্ভ-২০২২ৰ অংশ হিচাপে আৰম্ভ কৰিছে এই আন্দোলন। বিদ্যালয়খনৰ শিক্ষকসকল সম্প্ৰতি কেওটা ভাগত বিভক্ত হৈ নিতৌ গাঁৱৰ ঘৰে ঘৰে গৈ সাক্ষাৎ কৰিছে অভিভাৱকসকলক। চৰকাৰী খণ্ডৰ মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহক জীয়াই ৰখাৰ স্বাৰ্থত তেওঁলোকে ইতিমধ্যে সাক্ষাৎ কৰিছে গাঁওখনৰ জ্যেষ্ঠ নাগৰিক, নাৰী সন্থা, যুৱ সমাজৰ প্ৰতিনিধিক। মাতৃভাষা মাধ্যমৰ বিদ্যালয়ত অধ্যয়নৰ লাভালাভ, প্ৰয়োজনীয়তা আদি পুংখানুপুংখ ব্যাখ্যা কৰি অভিভাৱকসকলক সৈমান কৰাবলৈও সক্ষম হৈছে বৰবিল হাইস্কুলৰ শিক্ষক গোটটি। হাওৰাঘাট-বৰবিল হাইস্কুলৰ শিক্ষক গোটৰ এনে প্ৰশংসনীয় তথা দায়িত্ববোধসম্পন্ন পদক্ষেপ লক্ষ্মীয়ভাৱে অঞ্চলটোৰ বাবে শেহতীয়াকৈ এক ইতিবাচক চৰ্চাৰ সমল হিচাপে বিবেচিত হৈছে। শিক্ষকসকলৰ এই প্ৰচেষ্টাত নিশ্চিতভাৱে অঞ্চলটোৰ ছাত্ৰ সংগঠন, যুৱ সমাজ, বিদ্বৎ মহল সকলোৰে স্বতঃস্ফূৰ্ত সহযোগিতাৰ প্ৰয়োজন আছে।



*মাতৃভাষা শিক্ষাৰ সপক্ষে জনমত, শিক্ষকৰ প্ৰশংসনীয় পদক্ষেপ*